**2018**

**ASSAMESE**

**ASM : 1.02**

# INTRODUCTION TO THE CULTURE OF ASSAM AND NORTH EAST

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ ১x১০=১০

ক) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখনৰ ৰচক কোন?

খ) অসমৰ সবাতোকৈ পুৰণি পুথিচিত্ৰখনৰ নাম কি?

গ) গুংগাং কি?

ঘ) ওজাপালি অনুষ্ঠানৰ মুখ্য পালিজনক কি বুলি জনা যায়?

ঙ) 'কুঁহিয়াৰ পেৰা গীত' কোন শ্ৰেনীৰ লোকগীত?

চ) কাৰ্বিসকলৰ মাজত প্ৰচলিত ৰামায়ণখনৰ নাম কি?

ছ) আহোমসকলে উপৰি পুৰুষক পূজা কৰি উদযাপন কৰা অনুষ্ঠানটোৰ নাম কি?

জ) 'Folk - lore' পদটো কোনে প্ৰথমে ব্যৱহাৰ কৰিছিল?

ঝ) পয়চাংকেন কি?

ঞ) 'ভাসান যাত্ৰা'ৰ মূল বিষয়বস্তু কি?

২. চমুকৈ উত্তৰ লিখা ঃ ২x৫=১০

ক) 'Culture' পদটো কোনে আৰু কেতিয়া প্ৰথমে প্ৰয়োগ কৰিছিল?

খ) সংস্কৃতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

গ) অসমৰ দুবিধ সুষিৰ বাদ্যযন্ত্ৰৰ নাম উল্লেখ কৰা।

ঘ) দেউৰীসকলৰ মাজত থকা ফৈদ চাৰিটা কি কি?

ঙ) আহোম যুগৰ দুবিধ স্থাপত্যৰ নাম লিখা।

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫x২=১০

ক) নামঘৰ

খ) বিহু আৰু উৰ্বৰা বিশ্বাস

গ) চমাংকান

ঘ) হাতী দাঁতৰ শিল্প

৪. ভৌতিক সংস্কৃতি বুলিলে কি বুজা? ইয়াক কেইটা ভাগত ভগাব পাৰি? অসমীয়া সংস্কৃতিৰ আধাৰত প্ৰতিটোৰে চমু বিৰৰণ দিয়া। ২+২+৩=৭

অথবা

"জাতিৰ লোকসংস্কৃতিৰ স্বৰূপ লোকসাহিত্য আৰু লোকবিশ্বাসসমূহত প্ৰকাশ পায়" কথাষাৰৰ আঁত ধৰি অসমীয়া লোকসংস্কৃতিত ই কেনেদৰে প্ৰমাণিত হৈছে, আলোচনা কৰা। ৭

৫. অসমৰ মঠ-মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৭

অথবা



অসমৰ বসন্তকালীন উৎসৱ সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬) সংস্কৃতিৰ স্বৰূপ ব্যাখ্যা কৰি লোকসংস্কৃতি আৰু মাৰ্গীয় সংস্কৃতিৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰা। ৬+৬=১২

৭) অসমত বসবাস কৰা মিচিংসকলৰ এটি পৰিচয় দাঙি ধৰি তেওঁলোকৰ সমাজ আৰু সংস্কৃতি সম্পৰ্কে বহলাই আলোচনা কৰা। ১২

৮) উত্তৰ পূৰ্বাঞ্চলৰ অধিবাসী সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰা। ১২

৯) সত্ৰ কাক বোলে? সত্ৰানুষ্ঠানৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি পৰিচয় দিয়াৰ লগতে অসমীয়া সংস্কৃতিলৈ সত্ৰৰ অৱদানৰ বিষয়ে এটি প্ৰৱন্ধ যুগুত কৰা। ২+৪+৬=১২

১০) 'অসমীয়া সমাজ আৰু সংস্কৃতিলৈ মুছলমান সকলৰ বৰঙণি'—এই বিষয়ত এটি আলোচনা যুগুত কৰা। ১২

..................